# দেশত তলাবন্ধত চৰকাৰী নিৰ্দেশনা ঃ ৰেহাই ক'ত ?

- প্ৰতিৰক্ষা, কেন্দ্ৰীয় সশস্ত্ৰ বাহিনী, কোষাগাৰ, ৰাজহুৱা ব্যৱহাৰযোগ্য সা-সুবিধাসমূহ (পেট্ৰ'লিয়াম, চি এন জি, এল পি জি, পি এন জিকে ধৰি), দুৰ্যোগ ব্যৱস্থাপনা, শক্তি উৎপাদন-বিতৰণ, ডাকঘৰ, এন আই চি, আগতীয়া সতৰ্কবাণী দিয়া সংস্থাসমূহ।
- আৰক্ষী, গৃহৰক্ষী বাহিনী, অসামৰিক প্ৰতিৰক্ষা, অগ্নি আৰু জৰুৰীকালীন সেৱা, দুৰ্যোগ ব্যৱস্থাপনা আৰু কাৰাগাৰ।
- জিলা প্ৰশাসন আৰু কোষাগাৰ।
- বিদ্যুৎ যোগান।
- পানী।
- চাফাই কৰ্মী।
- খাদ্য সামগ্ৰী, গেলামাল, ফলমূল আৰু শাক-পাচলি, দুগ্ধজাত সামগ্ৰী আৰু গাখীৰ বিক্ৰী কেন্দ্ৰ, মাংস আৰু মাছ, পশু খাদ্যৰ দোকানসমূহ। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ ৰেচন দোকান। অৱশ্যে জিলা প্ৰশাসনে ঘৰৰ বাহিৰত মানুহৰ চলাচল হ্ৰাস কৰিবলৈ ঘৰে ঘৰে সামগ্ৰী যোগান (হোম ডেলিভাৰী)ৰ ব্যৱস্থা কৰিব পাৰিব।
- বেংক, বীমা কাৰ্যালয় আৰু এ টি এম।
- ছপা আৰু ইলেক্ট্ৰনিক সংবাদ মাধ্যম।
- প্ৰতিৰক্ষা, টেলিকমিউনিকেছন, ইণ্টাৰনেট সেৱা, ব্ৰডকাষ্টিং আৰু কেবল্ সেৱা, তথ্য প্ৰযুক্তিসম্পন্ন সেৱা (জৰুৰীকালীন সেৱাৰ বাবে) আৰু যিমান পাৰি সম্ভৱ ঘৰৰ পৰাই কাম (ৱৰ্ক ফ্ৰম হোম) কৰিব লাগে।
- খাদ্য, দৰব আদি, চিকিৎসা সঁজুলিৰ ই-কমাৰ্চৰ জৰিয়তে যোগানৰ ব্যৱস্থা।
- পেট্ৰ'ল ডিপ', এল পি জি, পেট্ৰ'লিয়াম আৰু গেছৰ খুচুৰা বিপণী আৰু গুদাম।
- বিদ্যুৎ উৎপাদন, সৰবৰাহ আৰু বিতৰণ।
- প্ৰাইভেট ছিকিউৰিটি সেৱা।
- শীতল ভঁৰাল আৰু পণ্যাগাৰ।
- অত্যাৱশ্যকীয় সামগ্ৰীৰ উৎপাদন গোটসমূহ।
- যিসমূহ উৎপাদন গোট ধাৰাবাহিকভাৱে চলি থকাটো প্ৰয়োজনীয়, সেইসমূহে ৰাজ্য চৰকাৰৰ অনুমতি লৈ চলাব পাৰিব।
- অত্যাৱশ্যকীয় সামগ্ৰীৰ সৰবৰাহ।
- অগ্নিনিৰ্বাপক আইন-শৃংখলা আৰু জৰুৰীকালীন সেৱা।
- তলাবন্ধৰ বাবে আবদ্ধ হৈ পৰা পৰ্যটকসকলক আশ্ৰয় দিয়া হোটেল, হোম ষ্টে, লজ আৰু মোটেল আদি।
- চিকিৎসা আৰু জৰুৰীকালীন কৰ্মী, বায়ু আৰু সাগৰৰ কৰ্মী।
- কোৱাৰেণ্টাইনৰ বাবে থকা প্ৰতিষ্ঠান।
- ব্যক্তিগত আৰু বাণিজ্যিক প্ৰতিষ্ঠানৰ আন সকলোবোৰে ৱৰ্ক ফ্ৰম হোম অৰ্থাৎ ঘৰৰ পৰাই কাম কৰিব লাগিব।